৩ পৃষ্ঠাত ৪ পৃষ্ঠাত ১০ পৃষ্ঠাত


# অসম আদিত্য

৭ পুহ, ১৯৪৭ শক ■ সোমবাৰ, ১২ জানুৱাৰী, ২০২৬ ■ Asom Aditya, Dibrugarh, Monday, January 12, 2026 ■ Price Rs. 7 ■ ডিব্ৰুগড় আৰু গুৱাহ


পৌৰ নিগমে নিয়োজিত কৰা অনুমোদিত কসকলক পৃথক কৰা আৱৰ্জনাসমূহ গতাই য়াৰ লগতে আৱৰ্জনাসমূহ নিৰ্বিচাৰে নিষ্কাশন ড় পৌৰ নিগমে ৰাইজক আহ্বান জনায়। গড় পৌৰ নিগমে আবাসী, দোকানী, বজাৰ , বিভিন্ন সংস্থাৰ চাফাই কৰ্মীকে ধৰি সংশ্লিষ্ট ৰ-পৰিচ্ছন্নতা বজাই ৰখাৰ লগতে পৰিবেশ ৰাধৰ ক্ষেত্ৰত পৌৰ নিগমৰ সৈতে কৰিবলৈ অনুৰোধ জনায়। আনহাতে, ৰ পেলোৱা বা আৱৰ্জনা জ্বলোৱাৰ ঘটনাৰ গে লগে ডিব্ৰুগড় পৌৰ নিগমক অৱগত কসকলক আহ্বান জনাইছে। এই নিৰ্দেশনা ইন অনুসৰি কঠোৰভাৱে বিহিত ব্যৱস্থা গ্ৰহণ ৰুগড় পৌৰনিগমে সকীয়াই দিয়ে।

## বিদ্যালয়ৰ উদ্‌যাপন

ষ্ঠানটোত বিদ্যালয়ৰ সচিব ড০ সত্যকাম ক্ষ্যৰ সুৰেশ বৰাই বক্তব্য প্ৰদান কৰে। এই ন্তঃজাতীয় বিদ্যালয় ভিত্তিত অনুষ্ঠিত তৰ্ক তীত প্ৰতিযোগিতাত বিচাৰকৰ বিশেষ বটা সয়লৈ সুখ্যাতি কঢ়িয়াই অনা ছাত্ৰী কুৰ আৰু দিব্যজ্যোতি বৰুৱাক বিদ্যালয়ৰ চ্ছা জ্ঞাপন কৰা হয়। আনহাতে, ২০২৫- দ্যালয়ৰ বাৰ্ষিক খেল-ধেমালিৰ বিভিন্ন সমূহ এই অনুষ্ঠানতে প্ৰদান কৰা হয়।

## তত প্ৰবন্ধ

## লাশ শ্ৰেষ্ঠ

## প্ৰজ্ঞা সাধনা নেওগৰ কাব্য গ্ৰন্থ উন্মোচন ড০ শশীকান্ত শইকীয়াৰ

# সাহিত্য হ'ল এটা জাতিৰ প্ৰাণস্পন্দন



**ষ্টাফ ৰিপৰ্টাৰ, ১১ জানুৱাৰী ঃ** সাহিত্য হ'ল এটা জাতিৰ প্ৰাণস্পন্দন। সাহিত্যৰ অবিহনে এটা জাতিৰ পৰিচয়, সংস্কৃতি, ভাষা, ইতিহাস কালৰ গতিত হেৰাই যায়। পৃথিৱীত এনে বহু জাতি বা সভ্যতা আছিল যিবোৰে নিজাকৈ কোনো লিখিত সাহিত্য বা শক্তিশালী মৌখিক ঐতিহ্য সংৰক্ষণ কৰিব নোৱৰাৰ বাবে পৃথিৱীৰ বুকুত হেৰাই গ'ল। অসম সাহিত্য সভাৰ আন্তঃৰাজ্য বিদেশ মৈত্ৰীবন্ধন উপ-সমিতিৰ আহ্বায়ক, বিশিষ্ট লেখক, সাহিত্যিক, ঐতিহ্যপূৰ্ণ ডি এইচ এছ কানৈ মহাবিদ্যালয় (স্বায়ত্তশাসিত)-ৰ অধ্যক্ষ ড০ শশীকান্ত শইকীয়াই আজি এইদৰে কয়। তেজপুৰ বিশ্ববিদ্যালয়ৰ ইংৰাজী বিভাগৰ স্নাতক প্ৰথম যান্মাষিকৰ ছাত্ৰী, ডিব্ৰুগড় চহৰৰ চিৰিং চাপৰিৰ বাসিন্দা, কৃতি শিক্ষাৰ্থী প্ৰজ্ঞা সাধনা নেওগৰ কাব্য গ্ৰন্থ 'ইন দ্যা লেংগুৱেজ অব ফিডাৰ্চ' উন্মোচন কৰি অধ্যক্ষ ড০ শইকীয়াই কয়— অসমৰ দৰে ৰাজ্যত সাহিত্যৰ পৰিৱেশ নকৈ গঢ়ি উঠা পৰিলক্ষিত হৈছে। ছাত্ৰ-ছাত্ৰীৰ মাজত সাহিত্য চৰ্চা, সাহিত্য সাধনা বৃদ্ধি পাইছে। তেওঁ কয়— ছাত্ৰাৱস্থাতে সাহিত্যৰ সাধনা কৰি বিশ্ব কবি ৰবীন্দ্ৰ নাথ ঠাকুৰ, অসমৰ লক্ষীনাথ বেজবৰুৱা, ইংৰাজ কবি জন কিটছ্, আলেকজেণ্ডাৰ পোপ, লৰ্ড বাইৰন আদি কবিসকল পৃথিৱী বিখ্যাত হৈ পৰিছিল। সাহিত্যহীন জাতি মৃত জাতি বুলি উল্লেখ কৰি তেওঁ কয়— শৈশৱৰ পৰা কবিতাৰ প্ৰতি বিশেষ অনুৰাগ সৃষ্টি হ'লে আৰু সেই ধাৰা অব্যাহত ৰাখিলে পৰৱৰ্তী সময়ত পৃথিৱী বিখ্যাত হ'ব পাৰে। তেওঁ সাহিত্য সৃষ্টিৰ যোগেদি কেনেকৈ জাতি, ভাষা, সংস্কৃতি ৰক্ষা কৰিব পাৰি সেয়া সুন্দৰভাৱে ব্যাখ্যা আগবঢ়ায়। সৰুৰে পৰা পৰিৱেশ সৃষ্টি কৰি দিলে পৰৱৰ্তী সময়ত ভাল কবি, সাহিত্যিক সৃষ্টি হ'ব পাৰে বুলি উল্লেখ কৰি তেওঁ কয়— সাহিত্যই জাতিৰ পৰিচয় ৰক্ষা কৰে, চিন্তা, দৰ্শন সংৰক্ষণ কৰে। তেওঁ জাতিক এজোপা বট বৃক্ষ আৰু সাহিত্যক শিপাৰ স'তে তুলনা কৰি কয়— সাহিত্য শক্তিশালী হ'লে জাতি কোনোদিনেই হেৰাই নাযায়। উন্মোচনী সভাত কানৈ মহাবিদ্যালয়ৰ ইংৰাজী বিভাগৰ মুৰব্বী ড০ মধুমিতা পুৰকায়স্থই ছাত্ৰীগৰাকীৰ এনে সৃষ্টিক ভূয়সী প্ৰশংসা কৰি কাব্য গ্ৰন্থখনৰ অতি সুন্দৰভাৱে বিশ্লেষণ আগবঢ়ায়। অনুষ্ঠানত বিশিষ্ট গল্পকাৰ গৌৰিকা আহমেদ বৰুৱাই প্ৰজ্ঞা সাধনাক নতুন প্ৰজন্মৰ এক ভোটা তৰা বুলি উল্লেখ কৰি তেওঁ কয়— প্ৰজ্ঞাৰ এনে উচ্চ মানৰ কবিতাই বহু সম্ভাৱনাৰ আশা কঢ়িয়াই আনিছে। অনুষ্ঠানত জ্যোতি চিত্ৰবনৰ উপাধ্যক্ষ সুনিল ৰাজকোঁৱৰে কানৈ মহাবিদ্যালয়ত সাহিত্য, সংস্কৃতিৰ এক পৰিৱেশ সৃষ্টি হোৱা বুলি উল্লেখ কৰি কবিগৰাকীক উৎসাহিত কৰে। ৰুমী চক্ৰৱৰ্তীয়ে আঁত ধৰা অনুষ্ঠানত বিশিষ্ট লেখিকা বাসৱী হাজৰিকা ভট্টাচাৰ্যই গ্ৰন্থ আৰু সাহিত্য সৃষ্টিয়ে সমাজ গঠনত ভূমিকা সম্পৰ্কে উল্লেখ কৰে। অনুষ্ঠানত কানৈ মহাবিদ্যালয়ৰ উপাধ্যক্ষ ড০ পাৰ্থ গাংগুলীয়ে প্ৰজ্ঞা সাধনাৰ কবিতাসমূহ উচ্চ প্ৰশংসা কৰি তেওঁৰ সৃষ্টি কৰ্মক আগুৱাই যাবলৈ আহ্বান জনায়। অনুষ্ঠানত কবি প্ৰজ্ঞা সাধনা নেওগে তেওঁ ষষ্ঠ শ্ৰেণীৰ পৰা কবিতা সৃষ্টিত মনোনিৱেশ কৰা বুলি উল্লেখ কৰি তেওঁৰ কবিতা সৃষ্টিৰ আঁৰত মাতৃ ইন্দিৰা নেওগ আৰু পিতৃ ধৰণী নেওগৰ উৎসাহ-উদ্দীপনা আৰু অনুপ্ৰেৰণাৰ কথা আৱেগিকভাৱে উল্লেখ কৰে। অনুষ্ঠানত ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ উৎপলা বৰগোহাঁই, গেছ ক্ৰেকাৰৰ অভিযন্তা যুগান্ত গগৈ, তিলক মহন্তকে ধৰি চহৰখনৰ শতাধিক গন্য-মান্য ব্যক্তি উপস্থিত থাকে।